অসম

সদৌ অসম ছাত্ৰ সন্থাৰ সংবিধান দিৱস, সংবিধান গ্ৰহণৰ ৮০ বছৰ উপলক্ষে সৰুসজাইত কেন্দ্ৰীয় প্ৰতিনিধি সন্মিলন

সংবিধান গ্ৰহণৰ ৬০ বছৰ পূৰ্তি উপলক্ষে গুৱাহাটীত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিনিধি সন্মিলনৰ লগতে বছৰজোৰা কাৰ্যসূচী আৰম্ভ হৈছে।

প্ৰকাশ: ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৪



AASU celebrates 60 years of its Constitution

গুৱাহাটী, ২৩ নৱেম্বৰ:

আজি সদৌ অসম ছাত্ৰ সন্থাৰ সংবিধান দিৱস। সংবিধান গ্ৰহণৰ ৮০ বছৰ উপলক্ষে সৰুসজাইত কেন্দ্ৰীয় প্ৰতিনিধি সন্মিলন। প্ৰথমবাৰৰ বাবে সৰুসজাইত অনুষ্ঠিত হৈছে আছুৰ কেন্দ্ৰীয় প্ৰতিনিধি সভা।ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা সমৱেত হৈছে ছাত্ৰ সন্থাৰ প্ৰতিনিধি-কৰ্মী।

সদৌ অসম ছাত্ৰ সন্থাৰ (আছু) সংবিধান গ্ৰহণৰ ৬০ বছৰ পূৰ্তি উপলক্ষে বছৰজোৰা কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হৈছে। আজি গুৱাহাটীৰ সৰুসজাইস্থিত অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত সংগঠনটোৰ

কেন্দ্রীয় প্রতিনিধি সম্মিলনৰ লগতে এই শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা অহা প্রতিনিধিসকলে এই সম্মিলনত অংশগ্রহণ কৰিছে।

১৯৬৭ চনৰ ৮ আগষ্টত অনুষ্ঠিত তেজপুৰ অধিৱেশনত আছুৰ সংবিধান আনুষ্ঠানিকভাৱে গ্রহণ কৰা হৈছিল। এই ঐতিহাসিক দিনটোৰ ৬০ বছৰ পূর্তিৰ কার্যসূচী পূর্বতে ৮ আগষ্টৰ পৰাই আৰম্ভ কৰাৰ পৰিকল্পনা আছিল যদিও শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ ভয়াৱহ বান পৰিস্থিতিৰ বাবে এই উদযাপন পিছুৱাই দিয়া হৈছিল।

সংবিধান গ্রহণৰ হীৰক জয়ন্তী উপলক্ষে বছৰজুৰি ব্যৱহাৰ কৰিবলগীয়া এক বিশেষ ল'গ' আজিৰ এই কেন্দ্রীয় প্রতিনিধি সম্মিলনত উন্মোচন কৰা হ'ব। অনুষ্ঠানলৈ ডিব্রুগড় বিশ্ববিদ্যালয়ৰ উপাচার্য ড□ জিতেন হাজৰিকা আৰু নগাঁও বিশ্ববিদ্যালয়ৰ উপাচার্য ড□ হিতেশ ডেকাক বিশিষ্ট অতিথি হিচাপে আমন্ত্রণ জনোৱা হৈছে।

আছুৰ সভাপতি উৎপল শর্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে জনোৱা মতে, এই সম্মিলনৰ জৰিয়তে সংগঠনটোক আগন্তুক দিনত অধিক শক্তিশালী ৰূপত আগু�ৱাই নিয়াৰ সংকল্প গ্রহণ কৰা হ'ব। সংবিধান গ্রহণৰ ৬০ বছৰ পূর্তি উপলক্ষে বছৰজুৰি বিভিন্ন কার্যসূচী অনুষ্ঠিত কৰাৰ পৰিকল্পনা হাততে লোৱা হৈছে।

উল্লেখ্য যে ১৯১৬ চনত অসম ছাত্র সম্মিলন গঠনৰ পৰা আৰম্ভ হোৱা ঐতিহাসিক যাত্রাৰ অন্তত ১৯৬৭ চনত সংবিধান গ্রহণৰ জৰিয়তে সদৌ অসম ছাত্র সন্থাই এক পূর্ণাংগ সাংগঠনিক ৰূপ লাভ কৰিছিল।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5477/aasu-constitution-sixty-years-celebration-guwahati